সহযোগত আজি বিশেষ কাৰ্যসূচীৰে উদযাপন কৰে। জিলা সাহিত্য সভাৰ সম্পাদক দুলাল নাথে আঁত ... তেওঁৰ জীৱন দৰ্শনৰ প্ৰতি আলোকপাত কৰে।

নগাঁও জিলা ভিত্তিত জাতীয় নিৰ্মাণ মঞ্চ, অসমৰ আয়োজন

প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

প্ৰতিদিন সেৱা, বৰমপুৰ, ২০ জুলাই : মধ্য অসমৰ 'জাতীয় নিৰ্মাণ মঞ্চ, অসম' নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানটিয়ে যোৱা ৮ জুলাইৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ মাজত আয়োজন কৰা এখনি প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ আজি ফলাফল ঘোষণা কৰে। নগাঁৱৰ ২৪ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ১২ খন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত শিক্ষাৰ্থীসকলে অতীৰ আৰু উজ্জ্বল বৌদ্ধিক চিন্তাধাৰাৰ পৰিচয় দাঙি ধৰে। উচ্চতৰ মাধ্যমিক পৰ্যায়ত 'অৰুণাভ' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰে প্ৰথম স্থান লাভ কৰে বিং কে বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে। 'প্ৰজ্ঞা' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰে দ্বিতীয় স্থান লাভ কৰে তুলসীমুখস্থিত মাধৱদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে। 'প্ৰজ্ঞাৰ সাধনা' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰে তৃতীয় স্থান লাভ কৰে উৰিয়াগাঁৱৰ ছহিদ ভোগেশ্বৰী ফুকননী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে আৰু 'সৃষ্টি' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে বামুনজান মিলিয়ন হেকেডবাৰী স্কুলে। মহাবিদ্যালয় পৰ্যায়ত 'তৰুণাভ' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰে প্ৰথম স্থান লাভ কৰে কলেজ অব্ এডুকেচন, নগাঁৱে। 'পলাশ' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰে দ্বিতীয় স্থান লাভ কৰে খটা মহাবিদ্যালয়ে। 'প্ৰজ্ঞা' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰে তৃতীয় স্থান লাভ কৰে বিং মহাবিদ্যালয়ে আৰু 'অংকুৰ' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাৰে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়ে। উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ব্যক্তিগত শিতানত শ্ৰেষ্ঠ বেটুপাত অংকন কৌশিক বৰা (প্ৰাচীৰ পত্ৰিকা 'শংকৰদেৱা', শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, উজলা গাঁও), শ্ৰেষ্ঠ কবিতা 'জন্মভূমি'- নিতুমণি দাস (প্ৰাচীৰ পত্ৰিকা 'অত্যাশা', ৰাইদঙীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়), শ্ৰেষ্ঠ প্ৰবন্ধ 'মানুহ আৰু বৃক্ষৰ অবিৰত সম্বন্ধ', জানম নাথ (প্ৰাচীৰ পত্ৰিকা 'প্ৰকৃতি', চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়) আৰু শ্ৰেষ্ঠ অনুগল্প হিচাপে বিবেচিত হয় 'অভাৱ' ঋষিকেশ কুমাৰ চৌধুৰী (প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞা', মাধৱদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, তুলসীমুখ)। মহাবিদ্যালয় পৰ্যায়ৰ ব্যক্তিগত শিতানত শ্ৰেষ্ঠ বেটুপাত অংকন বাবলা সৰকাৰ (প্ৰাচীৰ পত্ৰিকা 'উজ্জ্বল', খাগৰিজান মহাবিদ্যালয়, নগাঁও), শ্ৰেষ্ঠ কবিতা 'লকডাউন', বৰ্ষাৰাণী ডেকা (প্ৰাচীৰ পত্ৰিকা 'অংকুৰ', শ্ৰীশ্ৰীশংকৰদেৱ মহাবিদ্যালয়, বটদ্ৰৱা), শ্ৰেষ্ঠ প্ৰবন্ধ 'পৰিৱেশ ৰক্ষা হিচাপে অংকীয়া নাট', ভাস্কৰ্যপূৰ্ণ গগৈ (প্ৰাচীৰ পত্ৰিকা 'পৰকেকেনদাৰ', বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়, পুৰণিগুদাম) আৰু শ্ৰেষ্ঠ অনুগল্প 'হাস্যৰসৰ স্তৱক' দিপান্ত দাস (প্ৰাচীৰ পত্ৰিকা 'পলাশ', খটা মহাবিদ্যালয়)। জাতীয় নিৰ্মাণ মঞ্চ, অসমৰ প্ৰধান সম্পাদক অঞ্জন মুইয়ে চলিত বৰ্ষৰ আগষ্টত আয়োজিত এটি বিশেষ অনুষ্ঠানত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি জনাইছে সেই।